**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ডেৰাডুনত ৰাষ্ট্ৰপতি নিকেতন আৰু ৰাষ্ট্ৰপতি তপোবন আনুষ্ঠানিকভাৱে মুকলি কৰি সমাজৰ সকলো ক্ষেত্ৰতে দিব্যাংগসকলক জড়িত কৰোৱাৰ প্ৰয়োজনৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত পাঁচ হাজাৰ ৯০০ কোটি টকা ব্যয় সাপেক্ষ আৰু ওড়িশাত ১৮ হাজাৰ কোটি টকীয়া বহুমুখী প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। ৰাছিয়াই ইৰানৰ শাসকীয় ক্ষেত্ৰত কোনো ধৰণৰ পৰিৱৰ্তন মানি লোৱা নহ'ব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰক সকীয়াই দিছে।

৪। কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে অপৰাধী হিচাপে ঘোষিত মৈদিনাবাবা উম্মেৰ বেৰীক ইণ্টাৰপোলৰ জৰিয়তে ভাৰতলৈ প্ৰত্যাৰ্পণৰ বিষয়ত সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰক ৰাজী কৰোৱাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে। *আৰু*

৫। চলিত বছৰৰ নৱেম্বৰত ভাৰতে প্ৰথমবাৰৰ বাবে বিলি জিন কিং কাপ ২০২৫ৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আয়োজন কৰিব বুলি আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেচন আই টি এফে ঘোষণা কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সমাজৰ সকলো ক্ষেত্ৰতে দিব্যাংগসকলক জড়িত কৰোৱাৰ প্ৰয়োজনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। প্ৰযুক্তিৰ উৎকৰ্ষ সাধনৰ লগে লগে দিব্যাংগ ব্যক্তিসকলে সমাজৰ মূল সুঁতিৰ প্ৰতি বৰঙণি আগবঢ়োৱাটো সম্ভৱপৰ হৈ উঠিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ডেৰাডুনত ৰাষ্ট্ৰপতি নিকেতন আৰু ৰাষ্ট্ৰপতি তপোবন আনুষ্ঠানিকভাৱে মুকলি কৰে। অহা ২৪ জুনত এই ৰাষ্ট্ৰপতি নিকেতন আৰু তপোবন জনসাধাৰণৰ দৰ্শনৰ বাবে মুকলি কৰি দিয়া হ'ব। আজি ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি নিকেতনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰতিষ্ঠানটোৰ ১৩২ একৰতকৈও অধিক পৰিমাণৰ মাটিকালিক সামৰি স্থাপন কৰিবলগীয়া এখন প্ৰস্তাৱিত ৰাষ্ট্ৰপতি উদ্যানৰো তেওঁ আধাৰশিলা স্থাপন কৰে। এই উদ্যানখন এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰি জনসাধাৰণৰ বাবে মুকলি কৰি দিয়াৰ সম্ভাৱনা আছে। আজিৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দৃষ্টিশক্তি বাধাগ্ৰস্ত ব্যক্তিৰ সৱলীকৰণৰ উদ্দেশ্যে স্থাপন কৰা ৰাষ্ট্ৰীয় শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীসকলক লৈ আয়োজিত এটা অনুষ্ঠানত ভাষণ দিয়ে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি আবেলি বিহাৰৰ ছিৱান জিলাত প্ৰায় ৫ হাজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্ধোধন আৰু আধাৰশিলা স্থাপন কৰিব।

এই প্ৰকল্পসমূহ নগৰ উন্নয়ন, নলা-নৰ্দমা পৰিশোধন, প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু ৰে'লৱে আৰু শক্তি খণ্ডৰ সৈতে জড়িত। প্ৰধানমন্ত্ৰীয়ে ছিৱান জিলাৰ পঞ্চৰুখী উন্নয়ন খণ্ডৰ অধীনৰ যছৌলিত এখন জন সভাতো অংশগ্ৰহন কৰিব।

ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী শ্ৰী মোডী উৰিষ্যা ভুৱনেশ্বৰ ভ্ৰমণলৈ যাব। তাত তেওঁ ৰাজ্য চৰকাৰৰ এবছৰ পূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানৰ ৰাজ্যিক পৰ্য্যায়ৰ কাৰ্যসূচীত অধ্যক্ষতা কৰিব। ওড়িশাত শ্ৰী মোডীয়ে ১৮ হাজাৰ কৌটিটকীয়া বহুমুখী প্ৰকল্পৰ উন্মোচন আৰু আধাৰশিলা স্থাপন কৰিব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ অন্ধপ্ৰদেশৰ বিশাখাপট্টনমত হ'বলগীয়া একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত ভাগ ল'ব। অন্ধ্ৰপ্ৰদেশ চৰকাৰে যোগৰ বিষয়ে ব্যপক সজাগতা সৃষ্টি আৰু প্ৰশিক্ষণৰ বাবে YogaAndhra-2025 শীৰ্ষক মাহজোৰা কাৰ্যসূচী আয়োজন কৰিছে। বিশাখাপট্টনমৰ আৰ কে সাগৰ তীৰত হ'বলগীয়া অনুষ্ঠানত প্ৰায় ৫ লাখ অংশগ্ৰহনকাৰীয়ে অংশ ল'ব। এই অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাৰ বাবে Yogandhra কাৰ্য্যসূচীৰ অধীনত যোৱা প্ৰায় এমাহ ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত এক কৌটি ৭০লাখ মানুহক যোগৰ প্ৰশিক্ষণ দিয়া হৈছে। এই কাৰ্য্যসুচীৰ জৰিয়তে ৰাজ্যখনে সুস্বাস্থ্য, নিয়মানুৱৰ্তিতা আৰু দৈনন্দিন জীৱনৰ শান্তিৰ বাবে যোগক এক জন আন্দোলনলৈ পৰিৱৰ্তিত কৰিছে।

000000000

পশ্চিম এচিয়াৰ উত্তেজনাময় পৰিস্থিতিৰ উপশম ঘটোৱাৰ প্ৰয়াসৰ অংশ হিচাপে ইৰানৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচিৰ সৈতে আজি জেনেভাত জাৰ্মানী, ফ্ৰান্স আৰু ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী কেইগৰাকীৰ এখন বৈঠক অনুষ্ঠিত হ'ব। সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি তিনিখন ইউৰোপীয় ৰাষ্ট্ৰৰ মন্ত্ৰী পৰ্যায়ৰ প্ৰতিনিধিসকল পোন প্ৰথমে জেনেভাস্থিত জাৰ্মানীৰ স্থায়ী মিছনত ইউৰোপীয় সংঘৰ শীৰ্ষ স্থানীয় কূটনীতিবিদ কাজা কালাছৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰিব। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত তেওঁলোক ইৰানৰ বিদেশমন্ত্ৰীগৰাকীৰ সৈতে পৰমাণু বৈঠকত মিলিত হ'ব।

ইয়াৰ মাজতে ৰাছিয়াই ইৰানৰ শাসকীয় ক্ষেত্ৰত কোনো ধৰণৰ পৰিৱৰ্তন মানি লোৱা নহ'ব বুলি স্পষ্ট কৰি দিছে। ইৰান আৰু ইজৰাইলৰ মাজৰ সংঘৰ্ষৰ ক্ষেত্ৰত যিকোনো ধৰণৰ সামৰিক হস্তক্ষেপৰ বিৰুদ্ধেও ৰাছিয়াই ইতিনধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰক সকীয়াই দিছে। দেশখনৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ডিমিট্ৰি পেস্কভে লগতে এই বুলিও কৈছে যে, দেশ দুখনৰ মাজৰ সংঘৰ্ষৰ ক্ষেতৰ্ত ৱাশ্বিংটনৰ সামৰিক হস্তক্ষেপ অতিশয় বিপজ্জনক পদক্ষেপ হিচাপে বিবেচিত হ'ব আৰু ইয়াৰ ফলত কোনেও ধাৰণা কৰিব নোৱৰা ধৰণৰ নেতিবাচক পৰিণতিৰ উদ্ভৱ হ'ব পাৰে।

উল্লেখ যোগ্য যে ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষই ইতিমধ্যে সপ্তম দিনত ভৰি দিছে। দক্ষিণ ইজৰাইলত আজি ইৰানে ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰা বুলি ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে দাবী কৰে। ইয়াৰ

পূর্বে বাহিনীটোৰ মুখপাত্ৰই প্ৰকাশ কৰা মতে ইৰানে কালি ইজৰাইলৰ ছ্ৰকা হস্পিতেললৈ লক্ষ্য কৰি আক্ৰমণ সংঘটিত কৰে।

০০০০০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে অপৰাধী হিচাপে ঘোষিত মৈদিনাবাবা উম্মেৰ বেৰীক ইণ্টাৰপোলৰ জৰিয়তে ভাৰতলৈ প্ৰত্যাৰ্পণৰ বিষয়ত সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰক ৰাজী কৰোৱাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে। এই অপৰাধীজনক ভাৰতৰ জালনোট কেলেংকাৰী, প্ৰবঞ্চনা আৰু অপৰাধমূলক ষড়যন্ত্ৰৰ অভিযোগত গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰি থকা হৈছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে অপৰাধীজনে ডুবাইৰ পৰা ছাৰ্জাহৰ মাজেৰে বেংগালুৰুলৈ ভাৰতীয় জালনোট সৰবৰাহ কৰি আহিছিল। চি বি আইৰ এটা দলে এন চি পি-আবু ধাবিৰ সহযোগত লোকজনক আজি ভাৰতলৈ আনে। উল্লেখযোগ্য যে বিগত কেইটামান দিনৰ ভিতৰত ইণ্টাৰপোলৰ জৰিয়তে ১০০ জনতকৈও অধিক অপৰাধীক ভাৰতলৈ অনা হৈছে।

০০০০০০০০০

বৈদেশিক বাণিজ্যৰ সঞ্চালক প্ৰধান ডি জি এফ টি-য়ে ওজনত এক শতাংশতকৈ অধিক সোণ সম্বলিত নিৰ্দিষ্ট কেতবোৰ আকৰৰ আমদানিৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ আৰোপ কৰিছে। ডি জি এফ টিৰ এটা বিবৃতিত প্ৰকাশ পোৱা মতে এনেদৰে এক শতাংশতকৈ অধিক হাৰৰ সোণেৰে সমৃদ্ধ পেলেডিয়াম, ৰ'ডিয়াম আৰু ইৰিডিয়ামৰ আমদানিৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। গলাই অনা এনে ধাতুৰ আমদানিৰ ক্ষেত্ৰতো এই নিৰ্দেশ কাৰ্যকৰী হ'ব। অৱশ্যে গুড়ি অথবা আন ৰূপত পেলেডিয়াম, ৰ'ডিয়াম, ইৰিডিয়াম, অছমিয়াম আৰু ৰুথেনিয়ামৰ আমদানিৰ ক্ষেত্ৰত কোনো ধৰণৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হোৱা নাই।

০০০০০০০০০

ছিকিমত আজি আৰম্ভ হ'বলগীয়া কৈলাশ মানসৰোবৰ যাত্ৰা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। পুৱা নাথুলা পাচত ৰাজ্যপাল ওম প্ৰকাশ মাথুৰে এই যাত্ৰাৰ শুভাৰম্ভ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দুজন বিষয়াৰ সৈতে ৩৬ জন তীৰ্থযাত্ৰীৰে গঠিত প্ৰথমটো দলে আজি যাত্ৰা আৰম্ভ কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰতিটো যাত্ৰা সম্পূৰ্ণ কৰিবলৈ ১০ৰ পৰা ১১ দিন সময় লাগিব। ছিকিমৰ নাথুলাৰ পৰা এইবাৰ মুঠতে ১০টা দলে পৃথকে পৃথকে কৈলাশ মানসৰোবৰ অভিমুখে যাত্ৰা কৰিব। পাঁচ বছৰৰ বিৰতিৰ অন্তত এই যাত্ৰা পুনৰ আৰম্ভ কৰা হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সংস্থাই একত্ৰিত হৈ সকলো তীৰ্থযাত্ৰীৰ কোনো অসুবিধা নোহোৱাকৈ সুচাৰুৰূপে এই যাত্ৰা হ'ব বুলি নিশ্চিতি প্ৰদান কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে, পথচোৱাত যাত্ৰী আৱদ্ধ হৈ পৰিলে তাৎক্ষণিকভাৱে উদ্ধাৰ কৰাৰ বাবে বিশেষ হেলিকপ্টাৰ সাজু কৰা হৈছে। ইয়াৰ পূৰ্বে শুকুৰবাৰে আৱদ্ধ হৈ থকা সকলো পৰ্যটকক চাটেনৰ পৰা বিমানেৰে উদ্ধাৰ কৰা হৈছিল।

০০০০০০০০০

চট্টিছগড়ত আজি নিৰাপত্তাৰক্ষীৰে হোৱা সংঘৰ্ষত এগৰাকী মহিলা নক্সালবাদী নিহত হৈছে। ৰাজ্যখনৰ কেনকাৰ জিলাৰ আমাতলা আৰু কলপাৰ বনাঞ্চলত এই সংঘৰ্ষৰ সূত্ৰপাত হয়। চোৰাংচোৱাৰ তথ্য অনুসৰি, জিলা সংৰক্ষিত বাহিনী আৰু সীমান্ত নিৰাপত্তা বাহিনীয়ে চলোৱা যুটীয়া অভিযানত নিৰাপত্তাৰক্ষী আৰু নক্সালবাদীৰ মাজত গুলীয়াগুলি চলে আৰু ইয়াৰ ফলত এগৰাকী মহিলা নক্সালবাদীৰ মৃত্যু হয়। সংঘৰ্ষস্থলী আৰু তাৰ চৌদিশৰ অঞ্চলত নিৰাপত্তাবাহিনীয়ে অভিযান চলাই আছে।

০০০০০০০০০

চলিত বছৰৰ নৱেম্বৰত ভাৰতে প্ৰথমবাৰৰ বাবে বিলি জিন কিং কাপ ২০২৫ৰ প্লে অফ পৰ্যায়ৰ খেলসমূহ আয়োজন কৰিব বুলি আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেচন আই টি এফে ঘোষণা কৰিছে। লণ্ডনত এই প্ৰতিযোগিতাৰ সূচীৰ বিষয়ে ঘোষণা কৰি আই টি এফে এই কথা প্ৰকাশ কৰে। বেংগালুৰুৰ এছ এম কৃষ্ণ টেনিছ ষ্টেডিয়ামত অহা ১৪ৰ পৰা ১৬ নৱেম্বৰলৈ প্লে অফ পৰ্যায়ৰ খেলসমূহৰ আয়োজন কৰা হ'ব। ভাৰতকে ধৰি মুঠ সাতখন দেশত এই পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। প্লে অফ পৰ্যায়ৰ এই প্ৰতিযোগিতাৰ আয়োজন হিচাপে বাচনিভুক্ত আন দেশকেইখন হ'ল- আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ক্ৰ'ৱেছিয়া, জাৰ্মানী, মেক্সিকো আৰু পোলেণ্ড।

উল্লেখযোগ্য যে পূৰ্বে ফেডাৰেচন কাপ হিচাপে পৰিচিত বিলি জিন কিং কাপ প্ৰতিযোগিতা হ'ল- মহিলাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অতি সন্মানীয় এবিধ টেনিছ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত বিশ্বৰ ভিন ভিন দেশৰ শীৰ্ষ স্থানৰ খেলুৱৈসকল দলগতভাৱে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হয়।

০০০০০০০০০

জেভলিনৰ বিশ্ব চেম্পিয়ন নীৰজ চোপ্ৰাই কাইলৈ ফ্ৰান্সৰ পেৰিছত হ'বলগীয়া ডায়মণ্ড লীগ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই প্ৰতিযোগিতা ভাৰতীয় সময় অনুসৰি নিশা ১ বাজি ১২ মিনিটত আৰম্ভ হ'ব। ডোহাৰ পাছত নীৰজৰ চলিত খেলবৰ্ষত এয়া দ্বিতীয়খন ডায়মণ্ড লীগ প্ৰতিযোগিতা হ'ব। ডোহাত যোৱা মে মাহত অনুষ্ঠিত ডায়মণ্ড লীগ প্ৰতিযোগিতাত খেলুৱৈগৰাকীয়ে ৯০ দশমিক ২-৩ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি প্ৰথমবাৰৰ বাবে ৯০ মিটাৰৰ মাইলৰ খুঁটি অতিক্ৰম কৰিছিল। অৱশ্যে খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছিল। এই প্ৰতিযোগিতাত জাৰ্মানীৰ জুলিয়ন ৱেবৰে ৯১ দশমিক ০-৬ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি প্ৰথম স্থান অধিকাৰ কৰিছিল। ৱেবৰেও প্ৰথমবাৰৰ বাবে ৯০ মিটাৰতকৈ অধিক দূৰত্বলৈ জেভলিন নিক্ষেপ কৰিবলৈ সমৰ্থ হৈছিল।

০০০০০০০০০

সমাপ্ত